# পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF)

## মূল সাৰাংশ

## প্ৰকল্পৰ বিৱৰণঃ

অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰমৰ (AIRBMP) চাৰিটা প্ৰধান অংশ হ' ল - [১] প্ৰাতিষ্ঠানিক শিক্ষা সুদৃঢ়কৰণ আৰু বিশেষ অধ্যয়ন, [২] জল সম্পদ ব্যৱস্থাপনা, [৩] দুৰ্যোগৰ বিপদ আশংকা মুক্তকৰণ ব্যৱস্থাপনা আৰু [৪] আকস্মিক জৰুৰীকালীন প্ৰতি ক্ৰিয়াৰ উপাদান । ২য় আৰু ৩য় অংশ দুটা নিৰ্মাণ সম্পৰ্কীয় কামসমূহ সম্পন্ন কৰিবৰ বাবে ভূমিৰ প্ৰয়োজন । অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰমৰ [AIRBMP) ৰ প্ৰথম স্তৰত চিনাক্ত কৰা ব্ৰহ্মপুত্ৰৰ তিনিখন উপনৈ বুঢ়ীদিহিং, বেঁকী আৰু জিয়াঢলৰ ওপৰত প্ৰধান গুৰুত্ব আৰোপ কৰা হ'ব । প্ৰকল্পটোৰ প্ৰথম স্তৰত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বুঢ়িদিহিং অৱবাহিকাৰ নামনি অংশ আৰু বাক্সা আৰু বৰপেটা জিলাৰ বেঁকী অৱবাহিকাৰ নামনি অংশত বিনিয়োগ কৰা হ' ব ।

অসমৰ নদী অৱবাহিকা সু -সংহতকৰণ ব্যৱস্থাপনা কাৰ্যক্ৰমৰ (AIRBMP) কাৰ্যকলাপসমূহ [১] জল সম্পদ বিভাগ (Water Resource Department) আৰু [2] অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (Assam State Disaster Management Authority) নামেৰে দুটা প্ৰকল্প কাৰ্যকৰী গোট ৰ (Project Implementing unit) জৰিয়তে কৰা হ' ব । অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণে [FREMAA) এই সমগ্ৰ প্ৰকল্পটোৰ সমন্বয়কাৰী হিচাপে থকাৰ লগতে প্ৰকল্পটোৰ প্ৰস্তুতিকৰণ আৰু কাৰ্যকলাপসমূহ ৰূপায়ণ কৰাৰ দিশবোৰ তদাৰকী কৰিব ।

## সাম্ভাব্য প্ৰতিকূল প্ৰভাৱঃ

প্ৰস্তাৱিত কাৰ্যসমূহ / প্ৰক্ৰিয়াবোৰ এনেধৰণৰ -

(১) জল সম্পদ বিভাগে (Water Resource Department) নদীবান্ধৰ অখণ্ডতা বজাই ৰখা, জলবায়ু পৰিবৰ্তনৰ লগত খাপখোৱাকৈ নদীবান্ধসমূহ পুনৰ্নিমাণ আৰু গুৰুত্বপূৰ্ণ নদীপাৰৰ গৰা খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা লব ।

(২) অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে (Assam State Disaster Management Authority), নতুনকৈ বানপানী আশ্ৰয় শিবিৰ নিৰ্মাণ আৰু বৰ্তমান আশ্ৰয় শিবিৰ হিচাবে ব্যৱহৃত প্ৰতিস্থান সমূহ প্ৰধানতঃ বিদ্যালয়বোৰ কাৰিকৰী প্ৰদৰ্শনকাৰী গোট (Technical Demonstration Unit) লৈ উন্নতিকৰন আৰু জলবায়ু পৰিবৰ্তনৰ লগত খাপখোৱাকৈ গাঁও (Climate Resilient Village) পুনৰ্নিমাণ কৰিব । বিনিয়োগৰ প্ৰথম পৰ্যায়ত পৰিৱেশ আৰু সামাজিক প্ৰভাৱৰ মূল্যায়নৰ প্ৰতিবেদন ইতিমধ্যে প্ৰস্তুত কৰা হৈছে । এই প্ৰতিবেদনৰ মতে প্ৰস্তাৱিত গৰাখহনীয়া আৰু মথাউৰি সবলীকৰণৰ কাৰণে চৰকাৰী আৰু ব্যক্তিগত দুয়োধৰণৰ ভূমিৰ- প্ৰয়োজন । এই মূল্যায়নে চৰকাৰী ভূমিৰ ঠাই বিশেষে বে-দখল কৰি ব্যক্তিগত গৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান নিৰ্মাণ কৰা বে-দখলকাৰী সকলকো চিনাক্ত কৰিছে । সম্ভাব্য সামাজিক বিপদাশংকা / প্ৰভাৱসমূহ এনেধৰণৰ -

[১] ম্যাদী পট্টাধাৰীসকলে ভূমিৰ অধিকাৰ হেৰুওৱা, [২] ম্যাদী পট্টাহীনসকলৰ সম্পত্তিৰ ওপৰত প্ৰভাৱ পৰিব, [৩] ম্যাদী পট্টাধাৰী আৰু ম্যাদী পট্টাহীন উভয়ৰে নিৰ্মিত সম্পদৰ ওপৰত প্ৰভাৱ আৰু [৪] ৰাজহুৱা আৰু ধৰ্মীয় অনুষ্ঠানে ব্যৱহাৰ কৰা ভূমি আৰু নিৰ্মাণ ক্ষেত্ৰত আংশিক প্ৰভাৱ আৰু অন্যান্য সাধাৰাণ / সামূহিক সম্পত্তি ইত্যাদিত প্ৰভাৱ পৰিব । অসম ৰাজ্যিক দূৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (Assam State Disaster Management Authority) য়ে চৰকাৰী ভূমিতহে কাৰ্য সম্পন্ন কৰিব আৰু কোনো ধৰণৰ ব্যক্তিগত ভূমি তেওঁলোকৰ প্ৰয়োজন নহ' ব ।

## পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা

বিশ্ব বেংকৰ পৰিৱেশ আৰু সামাজিক ভিত্তিৰেখা [ESF] অন্তৰ্গত পৰিৱেশ আৰু সামাজিক ৰক্ষাকবচ – ৫ [ESS-5] ৰ সতে সামঞ্জস্য ৰাখি আৰু ভূমি অধিগ্ৰহণ, পুনৰুদ্ধাৰ আৰু পুনঃ সংস্থাপনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰতিকাৰ আৰু স্বচ্ছতা অধিকাৰ অধিনিয়ম ২০১৩ (RFCTLARR)', ভূমি অধিগ্ৰহণ, পুনৰুদ্ধাৰ আৰু পুনঃ সংস্থাপনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰতিকাৰ আৰু স্বচ্ছতা অধিকাৰ নীতি, অসম ২০১৫ (RFCTLARR)' ত থকা স্বচ্ছতাৰে উচিত ক্ষতিপূৰণৰ বিধানমতে সন্মতিপূৰ্বক ভূমি অধিগ্ৰহণ কৰিবৰ বাবে পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) প্ৰস্তুত কৰা হৈছে । এই পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ত প্ৰকল্পৰ পৰা হোৱা সামাজিক প্ৰভাৱ নিবাৰণৰ বাবে লোৱা ব্যৱস্থাপনাৰ কাৰণে মূল নীতি আৰু প্ৰক্ৰিয়াসমূহ অন্তৰ্ভুক্ত কৰা হৈছে । এই নীতি যোজনাৰ সামাজিক প্ৰভাৱৰ মূল্যায়ন আৰু পুনঃ সংস্থাপন ৰূপায়িত কৰা পৰিকল্পনা প্ৰস্তুতিৰ দিগ দৰ্শক হব ।

ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ৰ বিধানসমূহ এনেধৰণৰ–

[১] সন্মতি ক্ৰমে ভূমি অধিগ্ৰহণ কৰা আৰু

[২] ভূমি অধিগ্ৰহণ, পুনৰুদ্ধাৰ আৰু পুনঃ সংস্থাপনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰতিকাৰ আৰু স্বচ্ছতাৰ অধিকাৰ অধিনিয়ম ২০১৩ (RFCTLARR)' অনুসৰি বিহিত ব্যৱস্থা হাতত লোৱা । বিশ্ব বেংকৰ পৰিৱেশ আৰু সামাজিক ৰক্ষাকবচ [ESS] ৰ বিধান আৰু ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ মাজত থকা ব্যবধান সমূহ সু-নিশ্চিত কৰি প্ৰতিকাৰ লোৱাতো পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ই নিৰূপিত কৰিব । এই নিৰূপিত মানে স্বত্বাধিকাৰীসকলৰ পাবলগীয়া পৰিমাণ প্ৰতিফলিত কৰিব । যিসকল ম্যাদী পট্টাধাৰী লোকৰ ভূমি সন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে আৰু বে-দখলকাৰীক স্বত্ব ঘূৰাই দিয়া হৈছে তেনেলোকৰ ক্ষেত্ৰত এই নিৰূপিত মান বিশেষ সহায়ক হ'ব ।

## প্ৰাতিষ্ঠানিক ব্যৱস্থা

অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণে (FREMAA) ইয়াৰ অন্তৰ্গত প্ৰকল্প ব্যৱস্থাপনা গোটৰ (PMU) যোগেদি তথা নিয়োজিত প্ৰকল্প ৰূপায়ণ গোট (PIU) আৰু বে-চৰকাৰী সংস্থাৰ সহায়ত উপ-অৱবাহিকা স্তৰত সামাজিক, পুনঃসংস্থাপন আৰু ভূমি সম্পৰ্কীয় সকলো সমস্যা সমাধান কৰিব । ভূমি অধিগ্ৰহণ, পুনৰুদ্ধাৰ আৰু পুনঃ সংস্থাপনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰতিকাৰ আৰু স্বচ্ছতাৰ অধিকাৰ অধিনিয়ম ২০১৩ (RFCTLARR) অনুসৰি সংশ্লিষ্ট জিলাকেইখনৰ জিলা উপায়ুক্ত কেইগৰাকী ভূমি অধিগ্ৰহণৰ অধিকাৰী হিচাপে গণ্য । এই মৰ্ম্মে ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ জাননী, উপযুক্ত অধিকাৰী Under Section 4 of LARR , ২০১৩ হিচাবে সামাজিক প্ৰভাৱ মূল্যায়ণ প্ৰক্ৰিয়া জাৰি কৰা , পৰ্যবেক্ষন আদিৰ লগত সম্পৰ্কিত অভিযোগ আৰু পৰামৰ্শৰ শুনানী , প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোক বা পৰিয়ালক ক্ষতিপূৰণ দিয়া, ভূমিৰ ব্যৱহাৰৰ পৰিবৰ্তন আৰু সংশ্লিষ্ট প্ৰশাসনিক বিভাগ বা পৌৰ নিগমক সম্পত্তি হস্তান্তৰ কৰা আদি বিষয় এই বিজ্ঞপ্তিৰ অন্তৰ্ভুক্ত হ'ব । জিলা পয়াৰ্য়ৰ ভূমি ক্ৰয় কমিটিয়ে (District level Land Purchase Committies) যোগাযোগ আৰু সন্মতি লওতাৰ কাম কৰিব । কৃষি বিভাগ, উদ্যান শস্য বিভাগ, লোক নিৰ্মাণ বিভাগ, বন বিভাগ ইত্যাদি, বিভিন্ন চৰকাৰী বিভাগে জিলা উপায়ুক্ত গৰাকীক উপযুক্ত অধিকাৰী হিচাপে গণ্য কৰি নিৰ্মিত গাঠনি, সম্পত্তি, গছ-গছনি, শস্য আৰু এনেধৰনৰ সম্পদসমূহৰ মূল্যৰ আনুমনিক হিচাব দাখিল কৰি সহায় কৰিব । সংশ্লিষ্ট জিলাৰ ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ, পুনঃসংস্থাপন আৰু পুনৰ্বাসৰ কাৰ্য্য কেৱল জিলা উপায়ুক্তই সম্পন্ন কৰিব । নিৰ্ধাৰিত প্ৰকল্প ৰূপায়ণ গোট (PIU) সমূহে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অধিগ্ৰহণ কৰা ক্ষেত্ৰসমূহ খালী কৰিবলৈ প্ৰয়োজনীয় জাননী জাৰি কৰিব ।

## আন্তঃপৰ্যবেক্ষণ আৰু বাহ্যিক মূল্যায়ণঃ

প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) সমূহে আন্তঃপৰ্যবেক্ষণ প্ৰক্ৰিয়া সমাধা কৰিবলগীয়া বিষয়বোৰৰ মাজত আৰ্থ–সামাজিক পৰ্যবেক্ষণ, প্ৰকল্প ক্ষতিগ্ৰস্ত লোক (PAP) সকলৰ আৰ্থ–সামাজিক অৱস্থাৰ তুলনাৰ বাবে তথ্যগত আধাৰ সংগ্ৰহ, স্থানান্তৰ কৰা, ভাঙন কাৰ্য্য কৰা, ব্যৱহাৰৰ উপযুক্ত বয়বস্তু উদ্ধাৰ কৰা, সম্প্ৰদায়িক সম্পৰ্ক, আলোচনাৰ দিন ধাৰ্য্য ইত্যাদি পৰ্যবেক্ষণ কৰিব । পুনঃসংস্থাপন ব্যৱস্থা কাৰ্যকৰী কৰা বিষয়টোৰ পৰ্যবেক্ষন তথা অগ্ৰগতিৰ সূচনা আৰু পুনঃসংস্থাপনৰ কাৰ্য পৰিকল্পনা (RAP) ৰ সমাপ্তিৰ নথি অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণে (FREMAA) প্ৰস্তুত কৰিব আৰু সেয়া সংশ্লিষ্ট সকলো পক্ষলৈ প্ৰেৰণ তথা প্ৰকাশ কৰিব । অসম নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্যঃক্ৰমৰ জৰিয়তে (AIRBMP) এই সমগ্ৰ কাৰ্য ব্যৱস্থাটো দ্বিতীয়বাৰ মধ্যকালীন আৰু অন্তকালীন মূল্যায়ন কৰিবলৈ এটা স্বতন্ত্ৰ সংস্থা নিয়োগ কৰিব। এই সংস্থাই পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰূপয়িত কৰাৰ দ্বাৰা পুনৰ সংস্থাপনৰ লক্ষ্য প্ৰাপ্ত, জীৱিকা, জীৱন ধাৰণৰ মানদণ্ডৰ পুনৰুদ্ধাৰ আৰু উন্নতিকৰণৰ বাবে যাৱতীয় পৰামৰ্শৰ দিয়াৰ পৰ্যবেক্ষণ আৰু সত্যতা প্ৰমাণ কৰিব ।

## নিৰ্মাণ কাৰ্য্যৰ সৈতে সমন্বয়ঃ

ভূমি অধিগ্ৰহণ আৰু পুনঃসংস্থাপন ব্যৱস্থা কাৰ্যকৰী কৰাৰ সময়তেই নিৰ্মাণ কাৰ্যসমূহৰ লগত জৰিত সামগ্ৰী আহৰণ আৰু নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হ'ব । এই প্ৰয়োজনীয় সমন্বয় ঠিকাভিত্তিক কৰা হ'ব আৰু সামগ্ৰী আহৰণ আৰু নিবিদাৰ কাৰ্যসূচী, ঠিকাৰ দায়িত্ব আৰু মুক্ত হোৱা কামসমূহ ঠিকাদাৰক দিয়া হ' ব । এই পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) সংশ্লিষ্ট ঠিকাসমূহৰ নিবিদা আহ্বান কৰাৰ পূৰ্বে প্ৰস্তুতি, পুনঃ মূল্যায়ন আৰু অনুমোদন কৰা হ' ব । কাম আৰম্ভ কৰাৰ সময়তেই নিবিদাত বিবাদহীন মাটিৰ পৰিমাণ বিশেষভাবে উল্লেখ কৰি হস্তান্তৰ আৰু নিৰ্ধাৰিত লক্ষ্য উল্লেখ থাকিব । ঠিকাদাৰক ভূমি সময়মতে প্ৰদান কৰাৰ উপৰিও ভূমি অধিগ্ৰহণ আৰু পুনঃ সংস্থাপন কাৰ্যৰ লগত সামাজিক কামৰ কাৰ্যসূচীৰ সামঞ্জস্য থকা বিষয়টো নিশ্চিত কৰাটো বাধ্যতামূলক ।

## অভিযোগ প্ৰণালী

প্ৰকল্পৰ অংশীদাৰ আৰু প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকৰ অভিযোগ নিবাৰণৰ বাবে অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী (GRM) কাৰ্যকৰী কৰা হ'ব । এই ব্যৱস্থাই প্ৰকল্পৰ অংশীদাৰ সকলক অভিযোগ সমাধানৰ ক্ষেত্ৰত বৈধ, বিশ্বাসযোগ্য, স্বচ্ছ, আৰু আনুস্থানিক কৌশলপূৰ্ণ প্ৰণালী নিশ্চিত কৰিব । প্ৰকল্পটো ৰূপায়ণ কৰাৰ বাবে হোৱা অভিযোগ সমূহ নিবাৰণৰ বাবে দুটা পৃথক অভিযোগ প্ৰণালী প্ৰস্তুত কৰা হৈছে -

(১) উপাদান –২, জলসম্পদ বিভাগৰ (Water Resources Department) দ্বাৰা সমাধা হ'ব ।

(২) উপাদান –৩ অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমণ প্ৰাধিকাৰী (Assam State Disaster Management Authority) ৰ দ্বাৰা সমাধা হ'ব । অসমৰ বানপানী আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণৰ (FREMAA) প্ৰকল্প ব্যৱস্থাপনা গোটে (PMU) প্ৰকল্পৰ অধীনত আপীল কৰিব পৰা ক্ষমতা থকা এখন অভিযোগ প্ৰতিকাৰ কমিটি (GRC) গঠন কৰিব । উপাদান–২ৰ কাৰ্য্যকলাপ সমূহৰ বাবে অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী (GRM) জিলা উপায়ুক্তৰ নেতৃত্বত দুটা স্তৰত গঠন কৰা হব - (১) সংমণ্ডল আৰু (২) জিলা ভিত্তিক স্তৰ। জলসম্পদ (Water Resources Department) বিভাগৰ প্ৰকল্প ৰূপায়ণ গোটে (PIU) সংমণ্ডলীয় অভিযোগ নিষ্পত্তিকৰণ প্ৰাতিষ্ঠান (GRM) কাৰ্য্যকৰী কৰিব। সেইদৰে উপাদান–৩ৰ কৰ্য্যকলাপ সমূহৰ বাবে অভিযোগ নিষ্পত্তিকৰণ প্ৰণালী (GRM) দুটা স্তৰত গঠন কৰা হব - (১) উপ প্ৰকল্প আৰু (২) প্ৰকল্প ৰূপায়ণ গোটৰ স্তৰ। অভিযোগকাৰীয়ে নিদ্ধাৰ্ৰিত প্ৰণালীৰ অনুসৰি এমাহৰ ভিতৰত লিখিত অভিযোগ দাখিল কৰিলেহে অভিযোগসমূহ গৃহিত, স্বীকৃত আৰু পঞ্জীয়ন কৰা হ'ব । অভিযোগ প্ৰতিকাৰ কমিটি (GRC) ত সংশ্লিষ্ট সকলো সমাজৰ প্ৰতিনিধি থাকিব। অভিযোগ দাখিল কৰাৰ ছয় সপ্তাহৰ ভিতৰত অভিযোগসমূহ পুনৰীক্ষণ আৰু সমাধান কৰা হ'ব। অভিযোগসমূহ প্ৰকল্প ক্ষতিগ্ৰস্ত লোক (PAP) সকলৰ পৰা প্ৰত্যক্ষ ভাবে বা কোনো তৃতীয় পক্ষৰ পৰা পালে অভিযোগ পঞ্জীয়ন নামাত আৰু অনলাইন প'ৰ্টেলত পঞ্জীয়ন কৰা হ'ব।

## বিত্তীয় পৰিকল্পনা (বাজেট) (Budget)

পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ত ভূমি অধিগ্ৰহণ, পুনঃ সংস্থাপন পুনৰ্বাসন সাহায্য, সামগ্ৰী ক্ৰয়, পুনৰ সংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP) ৰূপায়িত আৰু প্ৰভাব মূল্যাংকন কৰাৰ বাবে নিয়োগ কৰা পৰামৰ্শদাতা সংস্থাৰ বাবে ব্যয়ৰ হিচাব থাকিব । ভূমি অধিগ্ৰহণ আৰু পুনঃ সংস্থাপন আৰু পুনৰ্বাসন আয়-ব্যয় প্ৰকল্পৰ সামগ্ৰিক মূল্যৰ এটা অংশ হ'ব আৰু অসম চৰকাৰৰ পুঁজিৰে ইয়াক পৰিশোধ কৰা হ'ব। নিৰ্মাণ কাৰ্যাৱলী, সামগ্ৰী ক্ৰয়, আৰু বে-চৰকাৰী পৰামৰ্শদাতা সংস্থাসমূহৰ বাবে ব্যয়, পৰ্য্যবেক্ষণ আৰু মূল্যায়ন সেৱা আদি ব্যয়ৰ কাৰণে বিশ্ব বেংকৰ ঋণ উপলব্ধ হ'ব। আৱশ্যকীয় ক্ষেত্ৰত বিশ্ব বেংকৰ নিৰ্দেশনাৱলী সংগ্ৰহ কৰিব পাৰে।

## পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ৰ প্ৰকাশ আৰু সময়োপযোগীকৰণ

প্ৰকল্প ব্যৱস্থাপনা গোট (PMU) আৰু প্ৰকল্প ৰূপায়ণ গোট (PIU) সমূহে পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) ইংৰাজীত আৰু মূল সাৰাংশ ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতেই প্ৰকাশ কৰিব । সেইদৰে স্বত্বাধিকাৰীসকলে পাবলগীয়া পৰিমাণো অসমীয়াত প্ৰকাশ কৰিব। পুনঃ সংস্থাপন নীতিৰ ভিত্তিৰেখা (RPF) দেশীয় আইনী প্ৰক্ৰিয়া আৰু বিশ্ব বেংকৰ পাৰিবেশিক সামাজিক ভিত্তিৰেখা (ESF)ৰ প্ৰয়োজন অনুযায়ী সময়োপযোগী / সংশোধিত কৰা হ'ব।